৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) গৱেষণা (খ) প্ৰয়োগসাধ্যতা

৪ নং প্ৰশ্নৰ উত্তৰ ঃ এটা গৱেষণা প্ৰক্ৰিয়াৰ প্ৰয়োজনীয় উপাদানবোৰ হ'ল গৱেষণা প্ৰশ্ন, গৱেষণা প্ৰস্তাৱ, অপ্ৰমাণিত যুক্তিসংগত ধাৰণা, প্ৰণালীবিদ্যা, সাহিত্য পুনৰীক্ষণ, ডেটা বিশ্লেষণ আৰু সামৰণি।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অপ্ৰমাণিত যুক্তিসংগত ধাৰণা, (খ) মিশ্ৰিত পদ্ধতি
(গ) গুণগত, পৰিমাণগত

৬ নং প্ৰশ্নৰ উত্তৰ ঃ Statistical Package for the Social Sciences.

৭ নং প্ৰশ্নৰ উত্তৰ ঃ তত্ত্ব এটা ভালনে বেয়া সেয়া মূল্যয়ন কৰিবলৈ চাৰিটা পৰিমাপ আছে। পৰিমাপকেইটা তলত উল্লেখ কৰা হ'ল-

১। পৰিমিততাঃ তত্ত্বৰ আপেক্ষিকভাৱে কমসংখ্যক সংজ্ঞা অভিধা আৰু বিবৃতিৰ জৰিয়তে কোনো কথা ব্যাখ্যা কৰিব পৰা বৈশিষ্ঠ।

২। এটা নিৰ্দিষ্ট তত্ত্বৰ দ্বাৰা কোনো পৰিঘটনা ব্যখ্যা কৰাৰ পৰিসৰ অথবা প্ৰসাৰ।

৩। নতুন পৰিঘটনা সম্পৰ্কে নিৰ্ভুল ভৱিষ্যৎবাণী।

৪। মিথ্যা প্ৰতিপন্ন হোৱাৰ সামৰ্থ।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ট'মাছ কুনৰ মতে বৈজ্ঞানিক সম্প্ৰদায় এটাই সাধাৰণতে এক প্ৰভাৱশালী আৰ্হিৰ অধীনত কাম কৰে। এই আৰ্হিটোৱে কেৱল প্ৰহেলিকা সমাধানকাৰী কাৰ্যকলাপহে চলাব পাৰে। কিন্তু সংকট কালত বিভিন্ন অনিয়মে গা কৰি উঠে। প্ৰভাৱশালী আৰ্হিটোৱে এই অনিয়মবোৰ আঁতৰোৱাৰ সমিধান দিব নোৱোৰে। কালক্ৰমত এই অনিয়মবোৰৰ উত্তৰ দিব পৰা নতুন আৰ্হিৰ উত্থান ঘটে। যেতিয়া দুটা আৰ্হি সম্পূৰ্ণৰূপে 'তুলনা অসাধ্য' হৈ পৰে তেতিয়াই বৈপ্লৱিক বিজ্ঞানে গা কৰি উঠে।



১.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ পৰিমিততা কি?

প্ৰশ্ন ২ ঃ কোনে 'প্ৰমেয়-বিৰোধাভাস- তাত্ত্বিক দ্বন্দ'ৰ ধাৰণাটো বিকশাই তুলিছিল?

(খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অপ্ৰমাণিত যুক্তিসংগত ধাৰণা

প্ৰশ্ন ২ ঃ ট'মাছ কুনৰ ভাষাত 'স্বাভাৱিক বিজ্ঞান'।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ স্বাভাৱিক বিজ্ঞান আৰু সমাজ বিজ্ঞানৰ গৱেষণাৰ মাজত থকা পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ২ ঃ তত্ত্ব কিয় উপযোগী?

*** ***** ***